ফ্লৰেণ্টিন স্মাৰনদাচে ৰ

এশৰীয়া কবিতা

অসমীয়া অনুবাদঃ ড° বঞ্জিত ভট্টাচার্য



A collection of poems by Florentin Smarandache

Translated from English into Assamese
by Dr Ranjit Bhattacharyya

NSIA

ফ্লৰেণ্টিন স্মাৰনদাচ্ৰ কবিতা

মূল ঃ এশৰীয়া কবিতা

অনুবাদক- ড° ৰঞ্জিত ভট্টাচার্য

A collection of poems by Florentin Smarandache

Translated from English into Assamese

by Dr Ranjit Bhattacharyya

Neutrosophic Science International Association (NSIA)

Publishing House

https://fs.unm.edu/NSIA/

Division of Mathematics and Sciences
University of New Mexico
705 Gurley Ave., Gallup Campus
NM 87301, United States of America

University of Guayaquil
Av. Kennedy and Av. Delta
"Dr. Salvador Allende" University Campus
Guayaquil 090514, Ecuador

ফ্লৰেণ্টিন স্মাৰনদাচ ৰ

এশৰীয়া কবিতা

অসমীয়া অনুবাদঃ ড° বঞ্জিত ভট্টাচার্য

NSIA
Publishing House

বিশ্বত কবিতাৰ বিভিন্ন সম্পৰীক্ষা চলি আছে। অসমীয়া সাহিত্যতো কবিতাৰ নতুন সম্পৰীক্ষা দেখা পোৱা গৈছে। কিন্তু পাশ্চাত্য সাহিত্যত দেখা পোৱা এশৰীয়া কবিতা (One line poetry) অসমীয়া সাহিত্যত এতিয়ালৈকে মোৰ দৃষ্টিগোচৰ হোৱা নাই। ইণ্টাৰনেটৰ জগতখনত কিবা-কিবি খুঁচৰি ফুৰোঁতে Florentin Smarandache (ফ্লৰেণ্টিন স্মাৰনদাচ্ এজন ৰোমানিয়ান-আমেৰিকান লেখক। নিউ মেক্সিকো বিশ্ববিদ্যালয়ৰ বিজ্ঞান আৰু গণিতৰ অধ্যাপক। তেখেতৰ দ্বাৰা ৰচিত এশৰীয়া কবিতা (One line poetry) সমূহে পাঠকৰ পৰা বিশেষ সমাদৰ লাভ কৰিছে) ৰ এশৰীয়া কবিতাবোৰ চকুত পৰিল। পঢ়িলোঁ। বহুকেইটা কবিতাই মুগ্ধ কৰিলে। তেখেতৰ লগত ই-মেইলত যোগাযোগ কৰি কবিতাসমূহ অনুবাদ কৰাৰ বাবে অনুমতি বিচাৰিলোঁ। তেখেতে সানন্দে অনুমতি প্রদান কৰিলে। কবিতাসমূহ নিজৰ উপ

কৰিবলৈ আৰম্ভ কৰিলোঁ। যোৰহাট মহাবিদ্যালয়ৰ কহিনুৰ জয়ন্তী উদ্‌যাপনৰ এই শুভ সময়ছোৱাতে তাৰে কিছু নিৰ্বাচিত অনুবাদ পাঠকসমাজলৈ আগবঢ়ালোঁ। পাঠকসমাজে আদৰি ল'লে এই অনুবাদ-কৰ্ম নিৰন্তৰ চলাই যোৱাৰ প্ৰয়াস কৰিম।

ধন্যবাদেৰে

ড° ৰঞ্জিত ভট্টাচার্য
যোৰহাট মহাবিদ্যালয়(একত্রিত)
যোৰহাট, অসম।
৩ ফাগুন, ১৯৪৪ শক।

Premonition

(সতর্কবাণী)

মোৰ সন্তানক অভিনন্দন, যি আৰু কেতিয়াও জন্ম নলয়।

ফ্লৰেণ্টিন স্মাৰনদাচ্ৰ কবিতা। ৫

School

(বিদ্যালয়)

হতাশাব ব্রেকব'র্ডত মই
লিখি আছোঁ এটা নতুন ভ্রম !

Mother

(মা)

তোক মিনতি কৰিছোঁ, মোক পুনৰ জনম নিদিবি।

Question

(প্রশ্ন)

কিয় আমি সকলোৱে আকাশত বিচাৰি ফুৰোঁ
নিজৰ সমাধি ?

Album

(এলবাম)

সময়ৰ বাবে বাখি থোবা সময়।

ফ্লবেণ্টিন স্মাৰনদাচৰ কবিতা। ৯

Epitaph for the poet

(কৱিৰ এপিটাফ)

কোনেও এই সমাধিত জিৱণি নলয়
কাৱণ তেওঁ কবিতাৰ পৰা জন্ম হৈছিল।

ফ্লৱেণ্টিন স্মাৰনদাচৰ কবিতা। ১০

Language

(ভাষা)

প্রতিদিনেই আমি শব্দৰ সুৱণগৰ মাজেৰে পাৰ হওঁ।

ফ্ৰেণ্টিন স্মাৰনদাচৰ কৰিতা। ১১

From the days of yore

(পুৰাতন সময়ৰ পৰা)

অভিদৰ সময়ৰ পৰাই মই কবিতাত বাস কৰি আছোঁ।
(বি ঃ দ্ৰ ঃ —অভিদ এজন ৰোমানিয়ান বিখ্যাত কবি)

ফ্লৰেণ্টিন স্মাৰনদাচৰ কবিতা। ১২

Address

(ঠিকনা)

মই মোৰ শৰীৰৰ শৰাধাৰত অকলশৰে বাস কৰোঁ।

ফ্লৰেণ্টিন স্মাৰনদাচৰ কবিতা। ১৩

Sign

(চহী)

তুমি পাহৰি গ'ছা যে লাভতে বঁধা পৰা এপাহ গোলাপ তুমি দেখিছিলা।

ফ্ৰৱেণ্টিন স্মাৰনদাচৰ কবিতা। ১৪

History

(ইতিহাস)

আমাৰ পূৰ্বপুৰুষৰ যুগেৰে শ্মশানবোৰ ভৰি আছে।

ফ্লৰেণ্টিন স্মাৰনদাচৰ কবিতা। ১৫

Time
(সময়)

ই আমার মাজলৈ বেগে আছে, ই ওফন্দি উঠে।

Morning-I

(ৰাতিপুৱা-১)

হালধীয়া আকাশত সাৰ পাই উঠিছে মৌ-মাখিৰ জীৱন

Einstein

(আইনস্টাইন)

অসীমক স্পর্শ কবিলে পোহৰৰ ৰেখাতালৰ দুৰ্বৰ মুখটোৱে।

ফ্লৰেণ্টিন স্মাৰনদাচৰ কবিতা। ১৮

Distance

(দূৰত্ব)

তোমাৰ আৰু মোৰ মাজত পোহৰৰ হাজাৰ শ্লোক

ফ্লৰেণ্টিন স্মাৰনদাচ্ৰ কবিতা। ১৯

Preamble

(প্রস্তাৱনা)

মৃত, তীব্র আক্ষাৱৰ দৃশ্য এটাত, মোৰ নতুন কবিতা।

ফ্লৱেণ্টিন স্মাৱনদাচৰ কবিতা। ২০

Heroes

নায়কসকল

শতিকাজুৰুবি তেওঁলোকেক নির্মাণ কৰে হাজৰ দলং।

ফ্লৰেন্টিন স্মাৰনদাচৰ কবিতা। ২১

Cosmic-II

(মহাজাগতিক-২)

আকাশৰ নীলা তেজত ভৰাবোৰ ছিটিকি পৰিছে।

ফ্লৰেণ্টিন স্মাৰনদাচৰ কবিতা। ২২

Karma-1

কর্ম-১

চিৰন্তন সময়ে সেই মুহৰ্তৰ বাবে খিৰিকীখন খুলি দিয়ে

ফ্লৰেণ্টিন স্মাৰনদাচৰ কবিতা। ২৩

Eclipse

(গ্রহণ)

সূর্যই শোক-কাপোৰ পিনিছে।

ফ্লৰেণ্টিন স্মাৰনদাচৰ কবিতা। ২৪

Noon

(দুপৰীয়া)

নিস্তব্ধতা শিলটোৰ ওপৰত পৰি আছে।

Winter-1

(শীতকাল-১)

বতাহে গছবোৰক টানি আনিছে সিহঁতৰ খোলা কাণ দুখন ধৰি।

ফ্লবেণ্টিন স্মাৰনদাচৰ কবিতা। ২৬

Play

(খেলা)

আকাশৰ বৃহং বৃত্তটো ধৰিবলৈ দৌৰি আছোঁ।

Junk Shop

(জাংক শ্বপ)

দুখব সৈতে বজাব এখনত হার্মিছে মোক অন্তহীনভাবে বিক্রী কবে।

ফ্লৰেণ্টিন স্মাৰনদাচ্ৰ কবিতা। ২৮

Heraclitian

(হেৰাক্লিটিয়ান)

নিত্য বৈ যোৱা দিনৰ খোজত বহি আছোঁ।

Destiny

(ভাগ্য)

পৃথিবীৰ ঘড়িটোৰ ঢাকনিয়ন ছিড়ি পেলোৱা হৈছে।

Road

(পথ)

অসীমৰ ফালে, মোৰ প্ৰেৰণাৰ বুলেভার্ড

Irony

(বিদ্রূপ)

আমাৰ সকলো কাপোৰ আমাৰ বাবে পুৰণি হৈ আহিছে।

You

(আপনি)

উদাসীনভাবে, আপনি আইনাখনৰ পানীত গা ধুই আছে।

Vision

(দৃষ্টি)

দিনটোৰে ঘটনাত গা ধুই আছে।

Romance

(ৰোমাঞ্চ)

চিন্তাৰ ঘাঁহনিত, পাহৰণিৰ সৰাপত

ফ্লৰেণ্টিন শ্মাৰনদাচৰ কবিতা। ৩৫

Pain

(দুঃখ)

আমাৰ সন্তাপনবোধক চেপি ধৰি থকা জীৱটো

Old Men

(বৃদ্ধসকল)

মুখখন ছিল্ন-তিন কবি আমি শীতৰ শুষ্ক ঘৰত উপস্থিত হৈছোঁ।

Ex-Politico

(এক্স-পলিটিকো)

মই ভাবোঁ জীৱনতো কোটি-কোটিবাৰ জীয়াই আছোঁ

Radiography

(ৰেডিঅ'গ্ৰাফী)

মই মোৰ নিজকে শৰীৰৰ কাৰাগাৰ যেন অনুভৱ কৰিছোঁ

ফ্লৰেণ্টিন স্মাৰনদাচ্ৰ কবিতা। ৩৯

watchman

(চকীদাৰ)

মই তোমাৰ হৃদয়ৰ দুৱাৰৰ চকীদাৰ

ফ্লৰেণ্টিন স্মাৰনদাচৰ কবিতা। ৪০

Dual Personality

(দ্বৈত ব্যক্তিত্ব)

মই মোৰ নিজৰ পৰা বহু দূৰত, বহু কিলোমিটাৰ সন্দেহৰ মাজত।

ফ্লৰেণ্টিন স্মাৰনদাচ্ৰ কৰিতা। ৪১

Algebra

(বীজগণিত)

মোৰ ওচৰেৰে বিমূর্ত প্রশ্নবোৰ পাৰ হৈ ' গা আছে।

ফ্লৰেণ্টিন স্মাৰনদাচৰ কবিতা। ৪২

My love

(মোৰ প্ৰিয়তম)

তোমাৰ খিৰিকীত পোহৰে গান গাইছে!

Vision

(দৃষ্টি)

পোহৰত অন্ধ হৈ পৰিছে নেকি সিহঁত, চৰাইবোৰ ?

ফ্ৰুবেচ্চিন সাবনদাচৰ কবিতা। ৪৪

বিশ্বত কবিতাৰ বিভিন্ন সম্প্ৰসাৰণ চলি আছে। অসমীয়া সাহিত্যত কবিতাৰ নতুন সম্প্ৰসাৰণ দেখা পোৰা গৈছে। কিন্তু পাশ্চাত্য সাহিত্যত দেখা পোৱা এশৰীয়া কবিতা (One line poetry) অসমীয়া সাহিত্য এতিয়ালৈকে মোৰ দৃষ্টিগোচৰ হোৱা নাই।

ইন্টাৰনেটৰ জগতখনত বিচাৰি-কিৰি ঘূৰোঁতে Florentin Smarandache (ফ্লৰেন্টিন স্মাৰানদাচ) এজন ৰোমানিয়ান-আমেৰিকান লেখক। নিউ মেক্সিকো বিশ্ববিদ্যালয়ৰ বিজ্ঞান আৰু গণিতৰ অধ্যাপক। তেখেতৰ দ্বাৰা ৰচিত এশৰীয়া কবিতা (One line poetry) সমূহে পাঠকৰ পৰা বিশেষ সমাদৰ লাভ কৰিছে।

এশৰীয়া কবিতাবোৰে চকুত পৰিল। পঢ়িলোঁ। বহুকেইটা কবিতাই মুগ্ধ কৰিলে। তেখেতৰ লগত ই-মেইলত যোগাযোগ কৰি কবিতাসমূহ অনুবাদ কৰাৰ বাবে অনুমতি বিচাৰিলোঁ। তেখেতে সানন্দে অনুমতি প্ৰদান কৰিলে। কবিতাসমূহ নিজৰ উৎস কবিতালৈ অৱতীৰ্ণ কৰিলে।

ISBN 978-197250223-5